Total No. of printed pages = 4

**4 (Sem-3) FASM-II**

**2016**

**ASSAMESE**

**(Functional MIL – II)**

Paper : 302

Full Marks – 80

Time – Three hours

The figures in the margin indicate full marks for the questions.

১। উত্তৰ দিয়া ঃ ১×৫=৫

(ক) ইংলণ্ডৰ আলিবোৰ কেই ভাগত বিভক্ত ?

(খ) লাচিতে অসমীয়া সৈন্যবল বুজোৱাৰ কাৰণে ৰামসিংহলৈ কি পঠিয়াইছিল ?

(গ) শুকান খেৰৰ পৰা চেনি উলিয়াব পাৰে বুলি কোনে কৈছিল ?

(ঘ) নিজৰ ভৰিৰ ওপৰত থিয় হোৱা পাঠটিত বিজ্ঞানশাস্ত্ৰক কিহৰ লগত তুলনা কৰা হৈছে ?

(ঙ) থেমচ্ নদীৰ তলেদি পাৰ হ'ব পৰাকৈ সজা সুৰংগৰ বাটটিত কিমান ৰূপ খৰছ হৈছিল ?

[Turn over

২। অতি চমুকৈ বুজাই লিখা ঃ ২×৫=১০

(ক) ইংলণ্ডৰ দুখন ডাঙৰ নগৰৰ নাম উল্লেখ কৰা।

(খ) শৰাইঘাটৰ সমস্যাবোৰ কেনে ধৰণৰ আছিল আৰু এতিয়াৰ সমস্যাবোৰ কেনেকুৱা ?

(গ) জ্ঞান কেইবিধ আৰু কি কি ?

(ঘ) অসম এৰি যোৱাৰ সময়ত ৰামসিংহই প্ৰশংসা কৰি কি কৈছিল?

(ঙ) প্লেৰী কি ? বুজাই লিখা।

৩। চমুকৈ বুজাই লিখা (যি কোনো **চাৰিটা**) ঃ ৫×৪=২০

(ক) ইংলণ্ড দেশ অসম দেশতকৈ কি কি কথাত পৃথক বহলাই লিখা।

(খ) "তোমালোকৰ ধন মাটিৰ তলত মামৰে নষ্ট হ'ব নিদিবা" — কথাষাৰৰ তাৎপৰ্য পাঠৰ সহায়ত লিখা।

(গ) নাম ধৰ্মই— কিদৰে অসমীয়া জাতিৰ আক্ৰমণকাৰী বঙালৰ হাতৰ পৰা ৰক্ষা কৰিলে। বুজাই লিখা।

(ঘ) "বাৰীৰ ভিতৰৰ পুখুৰী সিচোঁতেও আঠোটা দহোটা মানুহক শিঙিয়ে বিন্ধে" — কথাষাৰ আঁতিগুৰি মাৰি ব্যাখ্যা কৰা।

(ঙ) 'অগ্নি, সৰ্প আৰু প্ৰলোভন' — এই তিনি একে শ্ৰেণীৰ বিষাক্ত জীৱ। প্ৰৱন্ধটিৰ সহায়ত বাক্যশাৰী বুজাই লিখা।



(চ) নিজৰ ভৰিৰ ওপৰত থিয় হোৱাৰ ক্ষেত্ৰত নৈতিক শক্তিৰ ভূমিকা কেনেকুৱা— আলোচনা কৰা।

(ছ) 'অনভ্যাসে হত বিদ্যা' কথাশাৰীৰ তাৎপৰ্য পাঠটিৰ সহায়ত আঁতিগুৰি মাৰি বুজাই লিখা।

৪। শৰাইঘাটৰ ৰণৰ গৌৰৱ পূৰ্ণ মহিমামণ্ডিত ফল লাভ কৰাৰ ক্ষেত্ৰত কোনবোৰ দিশ প্ৰধানকৈ জড়িত হৈ আছে ? শৰাইঘাট আছে, আৰু শৰাইঘাট নাই — প্ৰৱন্ধটিৰ সহায়ত আলোচনা কৰা। ১০

নাইবা

পৃথিৱীৰ বিভিন্ন ঠাইত কিদৰে মহিলাৰ ভৰি অকামিলা কৰি পেলোৱা হয়— 'নিজৰ ভৰিৰ ওপৰত থিয় হোৱা' পাঠটিৰ আধাৰত আলোচনা কৰা।

৫। তলত দিয়া বাণিজ্যিক লেনদেন সম্পৰ্কীয় শব্দবোৰৰ অৰ্থসহ একোটি চমু টোকা লিখা (যি কোনো **পাঁচটা**) ঃ ৩×৫=১৫

ATM, Balance Sheet, Cash Book, Credit Card, Copyright, Fax, Voucher, Rebate, Provident Fund, E-Banking, Gratuity, Attorney.

৬। তলত দিয়া ধৰণে **এখন** পত্ৰ লিখা ঃ ১০

(পত্ৰত তোমাৰ নিজৰ নাম ঠিকনা ব্যৱহাৰ নকৰি অনিল শৰ্ম্মা, নলবাৰী, জিলা–নলবাৰী, অসম লিখিবা)

(ক) তোমাৰ এটা কম্পিউটাৰ প্ৰতিষ্ঠান আছে। এই প্ৰতিষ্ঠানটিত দিনে দিনে প্ৰশিক্ষাৰ্থী বাঢ়ি আহিছে। উক্ত

প্ৰতিষ্ঠানটি সম্প্ৰসাৰণৰ বাবে আৰ্থিক সাহায্য বিচাৰি উদ্যোগ বিভাগৰ সঞ্চালকলৈ (দিশপুৰ, গুৱাহাটী) এখন আবেদন পত্ৰ লিখা।

নাইবা

তুমি এটি বাঁহ-বেতৰ উদ্যোগ স্থাপন কৰিব বিচাৰিছা। এই উদ্যোগটিৰ বাবে প্ৰয়োজনীয় মূলধন ঋণ হিচাবে বিচাৰি এটা ৰাষ্ট্ৰীয়কৃত বেংকৰ শাখা ব্যৱস্থাপকলৈ এখন আবেদন পত্ৰ লিখা।

৭। সাৰাংশ লিখা ঃ ১০

বুদ্ধিময় জীৱনৰ দৃষ্টিভংগীৰে তথাকথিত উচ্চ আৰু নিম্ন শ্ৰেণীৰ জাতিসমূহক পৰীক্ষা কৰি চালে তেওঁবিলাকৰ মনস্তত্ত্বই উল্লেখযোগ্য মানসিক একতা প্ৰকাশ কৰে। তেওঁলোকৰ শাৰীৰিক বৈষম্য কেৱল অতীতৰ ক্ৰমবিকাশৰ আকস্মিক ৰূপ মাথোন। আৰু এই বৈষম্যই মানৱ সমাজৰ সাধাৰণ অন্তঃস্তৰটি মচি পেলাব নোৱাৰে। বিশেষজ্ঞৰ মতে মানৱ পৰিয়ালক সকলো শাখা প্ৰশাখা সমানে ভাল বা বেয়া, অথবা ইয়াৰ উন্নতি বা অৱনতি সমানে ঘটিব পাৰে। তেওঁলোকৰ পাপ-পুণ্যৰ আচৰণবিলাক পৰিবৰ্তনশীল পৰিস্থিতিৰ পৰিণাম অথবা পাৰিপাৰ্শ্বিক পৰিবেশৰ প্ৰভাৱ মাথোন। কেই পুৰুষমানৰ ভিতৰতে 'অসভ্য' জন আজিৰ 'সভ্য' জনৰ সমকক্ষ হ'ব পাৰে বা তেওঁক অতিক্ৰম কৰি যাব পাৰে। কৃষ্টিগত বৈষম্য কেৱল চলন্ত ৰূপ বুলিহে ধৰি ল'ব লাগে। ভ্ৰাতৃভাৱ আৰু মিলাপ্ৰীতি স্থাপন কৰিবৰ কাৰণে কিছু পৰিমাণে সমতাপূৰ্ণ কৃষ্টিগত উচ্চতা বাঞ্ছনীয় হ'লেও জাতীয় ঐক্য ইয়াৰ ওপৰত প্ৰতিষ্ঠিত নহয়। ভ্ৰাতৃত্ব আৰু সংগভাৱ মানুহৰ অন্তৰত নিহিত আছে।